লগ লাগি ঘৰতে বোৱা মিহি সূতাৰ কপাহী কাপোৰৰ সাজে তাইৰ দেহৰ জেউতি ম্লান কৰিব পৰাতো নাছিলে, বৰং সেইবোৰে তাইৰ দেহৰ কমনীয়তা আৰু লাৱণ্য যেন দুগুণহে চৰাইছিল। তাতে তাইৰ মাৰ্জিত খোজ-কাটল, আচাৰ-আচৰণ আৰু প্ৰখৰ বুদ্ধিমত্তা আদিয়ে তাইৰ ব্যক্তিত্বক বেছি উজ্জ্বল কৰি তুলিছিল। তাই মন কৰিছিল অতি কম দিনৰ ভিতৰত তাই বহু প্ৰশংসামুগ্ধ চকুৰ লক্ষ্য হৈ পৰিছিল। তাইৰ অনুমান হৈছিল, তেনে এযোৰ প্ৰশংসামুগ্ধ চকুৰ গৰাকী আছিল সেই সময়ত কলেজৰ ডিগ্ৰী ক্লাছৰ তৃতীয় বাৰ্ষিকত পঢ়ি থকা মেধাৱী আৰু দেখনিয়াৰ ছাত্ৰ দীপাঙ্কৰ।

তাইৰ সেই অনুমান সঁচা আছিল। দীপাঙ্কৰ তাইৰ ওচৰ চাপি আহিছিল। অৱস্থাপন্ন ঘৰৰ ল'ৰা হ'লেও দীপাঙ্কৰৰ ব্যৱহাৰ আছিল মাৰ্জিত, মধুৰ। তাৰ ব্যক্তিত্বত তাই যেন দেখা পাইছিল সু আদৰ্শৰ সবল স্বাক্ষৰ। অজানিতে তাইৰো মন সাগৰত ফাগুনৰ পচোৱা বতাহে ঢৌৰ সৃষ্টি কৰিছিল। তথাপি বহুদিনলৈ তাই সেই ঢৌত নিজকে চম্ভালি ৰাখিছিল। কিন্তু এটা অৱস্থাত তাইৰো মন-পখীয়ে কুৰুলিয়াই সঁহাৰি জনাইছিল। সদা মাৰ্জিত, সদা অকপট দীপাঙ্কৰে তাৰ ব্যক্তিত্বৰ স্বাভাৱিক অভিব্যক্তিৰে তাইক কৈছিল: 'সঁচাকৈ হিমা, তোমাৰ ওচৰত এয়া মোৰ আত্মসমৰ্পণ বুলিয়ে ক'ব পাৰা। তোমাৰ ব্যক্তিত্বই মোক মুগ্ধ কৰিছে। মোৰ ব্যক্তিত্ব তোমাৰ ব্যক্তিত্বৰ সমুখত পৰাজিত হৈছে।' শালীনতাৰ দৃঢ় বৃত্তৰ ভিতৰত থাকি তায়ো দীপাঙ্কৰৰ সান্নিধ্যত ভৱিষ্যতৰ ৰঙীন সপোন দেখিবলৈ আৰম্ভ কৰি দিছিল।

সময় আগবাঢ়িছিল। পৃথিৱীৰো বয়স বাঢ়িছিল। দীপাঙ্কৰ আৰু হিমাদ্ৰীও নিজৰ অজানিতে নেদেখা এনাজৰীৰে কোনেও কাকো এৰিব নোৱাৰাকৈ যেন বান্ধ খাই পৰিছিল। সমাজত সিহঁতক লৈ বু-বা চলিছিল। কিন্তু শালীনতা আৰু সংযমৰ পবিত্ৰ সীমাৰেখা কাহানিও চেৰাই নোযোৱা দীপাঙ্কৰ বা হিমাদ্ৰীয়ে সেইবোৰলৈ কৰ্ণপাত কৰাৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। এনে ধৰণৰো কথা ওলাইছিল: 'দীপাঙ্কৰ ধনীৰ ল'ৰা। সাময়িক মোহত অভিনয় কৰিছে। মোহ ভঙ্গ হ'লে সজা ভাঙি পখী উৰি যাব।' ইত্যাদি। এইবোৰ কথা হিমাদ্ৰীৰ কাণত যেনেকৈ পৰিছিল' দীপাঙ্কৰৰ কাণতো তেনেকৈ পৰিছিল। দীপাঙ্কৰে সেয়ে উপযাচিয়ে এদিন তাইক কৈছিল: 'সঁচা কথা হিমা, মোৰ দেউতাৰ বহু সম্পত্তি, বহু টকা আছে। সেয়ে তেওঁৰ শক্তিও বহুত আছে। কিন্তু সেয়া দেউতাৰহে। তেনে শক্তি মোৰ নাই। অন্ততঃ আমি সাজিব খোজা সজাটো ভঙাৰ শক্তি আৰু সত মোৰ কোনোটোৱে নাই। তুমি মোক বিশ্বাস কৰিব পাৰা।'

হিমাদ্ৰীয়ে বিশ্বাস কৰিছিল। দীপাঙ্কৰৰ কথাবোৰ আখৰে আখৰে তাই বিশ্বাস কৰিছিল। নিজে কলেজৰ দেওনা পাৰ হৈ স্থানীয় হাইস্কুলখনত সোমোৱাৰ পিছলৈকে আৰু দীপাঙ্কৰে কলেজৰ দেওনা সুখ্যাতিৰে পাৰ হোৱাৰ পিছত ইউনিভাৰচিটিৰ দেওনা পাৰ হৈ দূৰৈৰ কলেজ এখনত অধ্যাপনা কৰালৈকে হিমাদ্ৰীয়ে দীপাঙ্কৰৰ

কথাবোৰ আখৰে আখৰে বিশ্বাস কৰিছিল।

হিমাদ্ৰীয়ে হয়তো দীপাঙ্কৰৰ সেই কথাবোৰ শিলৰ মচিব নোৱাৰা ৰেখাৰ দৰে অনাগত অলেখ দিনলৈ বিশ্বাস কৰিয়ে থাকিলহেঁতেন যদিহে আজি ৰাতিপুৱা তাই দীপাঙ্কৰৰ নিমন্ত্ৰণী পত্ৰখন নাপালেহেঁতেন। দীপাঙ্কৰৰ হাতৰ আখৰেৰে হিমাদ্ৰীৰ নাম লিখা থকা নীলাখামৰ সেই নিমন্ত্ৰণী পত্ৰখনে কঢ়িয়াই আনিছিল কোনোবা অৰুণিমাৰ লগত পিছৰ সপ্তাহৰ এটা শুভদিনত হ'বলগীয়া দীপাঙ্কৰৰ বিয়াৰ খবৰ।

দুহাতেৰে চকুৰ সমুখত পৰি থকা নিমন্ত্ৰণী পত্ৰখনৰ শব্দবোৰ দেখাৰ পৰিৱৰ্তে এইবাৰ হিমাদ্ৰীৰ কাণত বাজি উঠিল তাহানি প্ৰাইমেৰী স্কুলত পঢ়ি থাকোঁতে বৰা ইঞ্জীনিয়াৰৰ ছোৱালী পিঙ্কীয়ে ডাক্তৰৰ ছোৱালী মাম্পীৰ আগত তাইৰ বিষয়ে কোৱা কথা খিনি: 'এই চা, এই জনীয়ে ইমান বেয়া কাপোৰ পিন্ধে ভিখাৰী যেন লাগে। আমাৰ মাই তাইৰ লগ লব মানা কৰি দিছে।

..."কিছুমান সমালোচকে এনেদৰে ভাবে যেন কবিতা কল্পনা'ৰ আকাশ আৰু গদ্য উকা বাস্তৱৰ মৰুভূমি। গল্প-উপন্যাসৰ গদ্যই এনে ধৰণৰ ভ্ৰান্তি উদঙাই দিয়ে। বাস্তৱৰ অভিজ্ঞতাৰ সাইলাখ প্ৰতিফলনৰ যোগেদি গল্প উপন্যাসে কল্পনাৰ চূড়ান্ত কৃতিত্ব দেখুৱাব পাৰে। বিশেষকৈ 'বাস্তৱ-বাদী" ঐতিহ্যৰ গল্প উপন্যাসত (যিটো ধাৰা এতিয়াও অসমত সকলোতকৈ বেছি প্ৰভাৱশীল) সন্দেহাতীতভাৱে প্ৰমাণ হয় যে সচৰাচৰ আমি নেদেখা বা ধৰিব নোৱাৰা বাস্তৱৰ গভীৰ গুহা-গহ্বৰত যি কল্পনাই পোহৰ পেলায় সিহে মহৎ কল্পনা।

[ ড: হীৰেণ গোহাঁইৰ 'সাহিত্য আৰু চেতনা' (১৯৮০ চনৰ মুদ্ৰণৰ)ৰ পৰা ]

# কেঁচু আৰু শগুণ

শ্ৰীঅতুল চন্দ্ৰ দাস
১ম বাৰ্ষিক, স্নাতক মহলা

কান্ধৰ পৰা খৰিভাৰ থৈ বহি পৰিল অকণ। ঠাই খিনি বিলাসীপাৰাৰ শেষ মূৰ। শিংৰাৰ পৰা আৰম্ভ হোৱা পি, ডব্লিউ, ডি,ৰ ৰাষ্টাটোৱে বিলাসীপাৰাৰ মাজেৰে আহি এই ঠাইখিনি চুইছে। এই খিনিতে আকৌ ৰাষ্টাটোৱে পশ্চিম মুৱাকৈ প্ৰায় নব্বৈ ডিগ্ৰী কোণ কৰি আগবাঢ়ি গৈ তাৰাবাৰী ওলাইছে। এই ৰাষ্টাটোৰে যদিও তাৰাবাৰীৰ পৰা গুৱাহাটীলৈ নিয়মিতভাবে দুখন বাছ চলিব লাগে সেই নিয়ম মাজে মাজে অনিয়মতো পৰিণত হয়। তাৰবাবে কোনেও কেতিয়াও বিশেষ মূৰ ঘমোৱা সি দেখা নাই। ঠাই ডোখৰত বহি লোৱাৰ পিছত অকণৰ ধাৰণা হ'ল এইখিনি সময়ত গুৱাহাটীলৈ যাবলগীয়া বাছখন আজিও যোৱা নাই।

তাৰাবাৰীলৈ অকণৰ ঘৰৰ পৰা দূৰত্ব প্ৰায় ন কিলোমিটাৰ। প্ৰত্যেক দেওবাৰে তাৰাবাৰীত হাট বহে। সেই হাটত বেচিবলৈ সি খৰিৰ ভাৰ লৈ আহিলে এইখিনি ঠাইতে অলপ সময় জিৰাই লয়। সি এইখিনি ঠাইত জিৰাই লোৱাৰ কাৰণ কেবাটাও। ঠাইখনত ৰাষ্টাৰ দাঁতিতে লগাকৈ এডাল বিবাট বকুল গছ আছে আৰু তাৰ তলতে আছে এটা দমকল। বিলাসী-পাৰাৰ কণ কণ ল'ৰা-ছোৱালীইঁতে এই ঠাই-ডোখৰলৈ বকুল বুটলিব অহা কাৰণে ঠাইখন প্ৰায়ে বকুল ফুলা সময়ত পৰিষ্কাৰ হৈ থাকে। সি খৰি লৈ আহিলে বকুলৰ তলত খৰিভাৰ থৈ দমকলটোৰ পৰা হেপাহ পলুৱাই পানী খায় আৰু তাৰ পাছত বকুলৰ ছায়াত কিছু সময় জিৰণি লয়। তদুপৰি বকুল ফুলিলে ঠাইডোখৰ গোন্ধত আমোলমোলাই থাকে। ঠাইডোখৰৰ পশ্চিম আৰু উত্তৰে বিস্তীৰ্ণ পথাৰ। খেতি কৰা আৰু চপোৱাৰ দিনত পথাৰত কৰ্ম ব্যস্ত হৈ থকা খেতিয়কবোৰলৈ চাই তাৰ বৰ ভাল লাগে। আৰু ভাল লাগে পথাৰৰ পৰা বৈ অহা মৃদু বতাহ আৰু ধান চপোৱাৰ দিনত সেই বতাহে কঢ়িয়াই অনা পকা ধানৰ সুবাস।

আনদিনাৰ দৰে অকণে আজিও খৰিৰ ভাৰখন বকুল জোপাৰ তলত থৈ দমকলটোৰ পৰা হেপাহ পলুৱাই পানী খালে যদিও সি বৰ স্বস্তি অনুভৱ কৰিব নোৱাৰিলে। সি বৰ দুৰ্বল অনুভৱ কৰিলে আৰু ভাৰখনো তাৰ আজি বৰ গধুৰ গধুৰ লাগিল। তাৰ মনলৈ আহিল যোৱা কালি সিহঁতে—মানে সি আৰু তাৰ মাকে অনাহাৰে আছিল। আজি ৰাতি-পুৱাও সি মাথো কাষৰ নবেনহঁতৰ ঘৰৰ পৰা মাকে খুজি অনা দুটা ভীমকলৰ এটা খাইহে ওলাইছে। তাৰ বাহিৰে তাৰ পেটত এতিয়ালৈ

খুদ এটাও পৰা নাই। কথাটো মনত পৰাৰ লগে লগে পেটৰ ভোকটো বেছিকৈ উক দিয়া যেন লাগিল।

অনাহাৰ-অনাটন আদিৰ লগত অকণৰ পৰিচয় নিচেই সৰু কালৰ পৰা। তৃতীয় শ্ৰেণীত থাকোতেই তাৰ দেউতাক ঢুকাইছে। মাক অবলাই তাক বৰ কষ্ট কৰি ডাঙৰ-দীঘল কৰিছে। নিজৰ আৰু তাৰ পেটৰ তাগিদাত মাকে দেউতাক ঢুকোৱা দিন ধৰি লোকৰ ঘৰত বান্দীৰ কাম কৰি আহিছে। তাৰ ল'ৰালি কালত সি পিন্ধা পোছাকবোৰ প্ৰায়ে আনৰ পৰা খুজি অনা আৰু লেতেৰা আৰু টাপলি মৰা আছিল। মাক অবলাই কেতিয়াবা ৰাতি তাক ওচৰত বহুৱাই লৈ যেতিয়া কান্দিছিল তেতিয়া তাৰ অকণমানি অন্তৰখনে হাহাকাৰ কৰি উঠিছিল। এনেকুৱা অৱস্থাৰ মাজেদি তাৰ শিক্ষা জীৱন আগবাঢ়ি গৈছিল আৰু সি যেতিয়া ষষ্ঠ শ্ৰেণী পাইছিল তেতিয়াৰ পৰাই সি নামি পৰিছিল জীয়াই থকাৰ সংগ্ৰামত। তাৰ অপুষ্ট আৰু লেবেলা হাত দুখনেৰে তেতিয়াৰ পৰাই সি সময়ে সময়ে গাঁৱৰ চহকী দুই এজন খেতিয়কৰ ঘৰত খেতি-বাতিৰ আলপৈচান ধৰা কামত নিম্নতম মজুৰীত কাম কৰি আহিছে অথবা জাবণিৰ অলাগতিয়াল খৰি কাটি কান্ধেৰে বৈ আনি প্ৰত্যেক দেওবাৰে অথবা সুযোগ মিলিলে আনবাৰেও তাৰাবাৰী বজাৰত বিক্ৰী কৰি আহিছে। তাৰ পঢ়াৰ খৰচ আৰু লগতে ঘৰুৱা খৰচৰো বহুখিনি সি সেইদৰে উলিয়াই মাকক সহায় কৰি আহিছে।

সি কিয় ইমান সোনকালে জীয়াই থকাৰ সংগ্ৰামত নামিব লগীয়া হ'ল তাৰো এক করুণ ইতিহাস আছে। সি তেতিয়া ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ। তাৰ লগত একেখন শ্ৰেণীতে ধনী মহাজনৰ ছোৱালী ৰূপাও পঢ়ে। তেতিয়া ছয়-মাহিলী পৰীক্ষা চলি আছিল। সিদিনা আছিল ইংৰাজীৰ পৰীক্ষা। ৰূপাই অকণৰ ঠিক পিছৰ বেঞ্চত বহিছিল। ইংৰাজীৰ প্ৰশ্ন কাকতখন সিমান কঠিন নাছিল যদিও ৰূপাই মুঠেই পঢ়া নাছিল বাবে তাইৰ বাবে প্ৰশ্ন কাকতখন টান হৈ পৰিছিল। তাই তাক প্ৰথমৰ পৰাই ইটো সিটো প্ৰশ্নৰ উত্তৰ সুধিছিল। সিও বহু কেইটা চমু প্ৰশ্নৰ উত্তৰ কৈ দিছিল যদিও এটা সময়ত তাৰ বিৰক্তি লাগিছিল। তদুপৰি নিৰীক্ষক-শিক্ষকৰ বেঁকা দৃষ্টিও সিহঁতৰ ওপৰত পৰিছিল। সেয়ে এটা সময়ত সি ৰূপাক মৃদু ধমক দিছিল। ৰূপাৰ তাৰ ওপৰত খং উঠিছিল। তাৰ তীব্ৰ ক্ৰোধৰ চাৱনি এটা নিক্ষেপ কৰি তাক সুধিবলৈ এৰি দিছিল। তাৰ পৰা সহায় নাপাই তাই এটা সময়ত অসৎ উপায় অৱলম্বনত প্ৰবৃত্ত হৈ পৰিছিল। তাই প্ৰশ্ন কাকতত অহা ৰচনা এখন সৰু কাগজ এডোখৰত সৰু সৰুকৈ লিখি আনিছিল আৰু এটা সময়ত চেগ বুজি সেই কাগজ ডোখৰ উলিয়াই ৰচনাখন প্ৰশ্নোত্তৰ বহীত লিখিবলৈ আৰম্ভ কৰিছিল। ৰূপাই আগৰ পৰীক্ষাতো যদিও নকল কৰিছিল নিৰীক্ষক-শিক্ষকৰ হাতত ধৰা নপৰি সাৰি গৈছিল। কিন্তু সেইবেলি শেন চকুৱা বুলি দুষ্ট ছাত্ৰসকলৰ মাজত বদনাম থকা শইকীয়া চাৰে তাইক ধৰা

পেলালে যদিও ছয়-মাহিলী পৰীক্ষা বাবেই নে আন কিবা কাৰণত উলিয়াই নিদিলে। তাৰ পৰিৱৰ্তে তাই পাবলগীয়া মুঠ নম্বৰৰপৰা দহ নম্বৰ কটাৰ বাবে বহীৰ ওপৰত লিখি দিলে। কিন্তু শইকীয়া চাৰে ৰূপাৰ নকল ধৰাটোৰে অৰুণৰ বাবে কাল হ'ল। ৰূপাই স্কুলৰপৰা গৈ দেউতাকক লগালে যে অৰুণে নিজে নকল কৰা কাগজখন তাইৰ গালৈ দলিয়াই দিয়াতহে শইকীয়া চাৰে তাইক নকল কৰা বুলি ধৰিছে।

জীয়েকৰ কথা আখৰে আখৰে সঁচা মানি মহাজনে অৰুণক সেইদিনা সন্ধিয়া কাম কৰা মানুহ এটা পঠিয়াই মতাই নিলে। অৰুণে ৰূপাই নকল কৰা সন্দৰ্ভত ধনী মহাজনে তাক মাতি নিয়া বুলি অনুমান কৰিব পাৰিলেও অলপ পৰ পাছত যিখন নাটকৰ যিটো ভাওত সি অৱতীৰ্ণ হ'ব লাগিব সেই বিষয়ে কল্পনাও কৰিব পৰা নাছিল।

অৰুণ গৈ পোৱাৰ সময়ত মহাজন, মহাজনৰ পত্নী আৰু ৰূপা ড্ৰইংৰুমত বহি আছিল। মহাজনে তাক কৰ্কশ মাতেৰে ভিতৰলৈ মাতি নিছিল। তাৰ পাছত হঠাৎ বহাৰ পৰা উঠি খপকৈ তাৰ ৰঙচুৱা তেল নপৰা চুলিকোচাত খাপমাৰি ধৰি বিকট মাতেৰে কৈছিল: 'বান্দীৰ বেটা, কটা চুৱা খোৱা কুকুৰৰ জাত। নিজে নকল কৰা কাগজৰ টুকুৰা মোৰ ছোৱালীৰ গালৈ দলিয়াই দি মোৰ ছোৱালীক বদনাম দিলি নহয়?'

হতভম্ব অৰুণে কিবা এটা কবলৈ মুখ মেলাৰ আগতে মহাজনৰ সোঁহাতৰ প্ৰচণ্ড চৰ তাৰ শেতা বিবৰ্ণ গালৰ ওপৰত সশব্দে পৰি তাৰ মুখখন একালে ঘূৰি গ'ল। চুলিকোচাত মহাজনে বজ্ৰ খামোচ মাৰি ধৰি নথকা হ'লে সি সেই ধাক্কা সহ্য কৰিব নোৱাৰি নিসন্দেহে পকী মজিয়াত পৰি গ'লহেঁতেন। মহাজনৰ ৰুদ্ৰ মূৰ্তিৰ সমুখত থিয় হৈ থকা অৰুণৰ চকুৰ সমুখত ভেতিয়া অজস্ৰ জোনাকী পৰুৱা উৰিছিল। সেইসময়তে ৰূপাই দেউতাকক কৈছিল: 'আৰু কি জানা দেউতা', ইয়াৰ ইমান বাহাদুৰি—মই এটা কথা সোধোতে সি মোক ধমক মাৰি দিছিল।'

'হয় নেকি' বুলি মহাজনে এইবাৰ তাক গালে মুৰে সজোৰে থপৰিয়াবলৈ ধৰিলে। তাৰ পাছত তাক গতা এটা মাৰি দুৱাৰখনেৰে বাৰান্দাত বগৰাই দিলে।

থিয় হ'বলৈ প্ৰয়োজনীয় শক্তিখিনি গোটাই লব পৰাৰ লগে লগে অৰুণে মহাজনৰ ঘৰৰ প্ৰকাণ্ড চৌহদৰ ভিতৰৰপৰা ওলাই আহিছিল। ঘটি যোৱা ঘটনাটোৰ বিষয়ে সি মাকক একোকে নকলে। কিন্তু সেইদিনা ৰাতি বিচনাত পৰাৰ আগতে সি মাকক ক'লে: 'মা, তুমি আৰু আজিৰ পৰা কেতিয়াও ধনী মহাজনৰ ঘৰত কাম কৰিবলৈ নাযাবা। পালে বেলেগৰ ঘৰত কাম কৰিবা, নহ'লে আমি নাখাই শুকায়ে মৰিম।' মাকে তাৰ কথাৰ কাৰণ বুজিব নোৱাৰি আচৰিত হৈ তাক বাৰ বাৰ সুধিলে যদিও সি কাৰণটো নকলে। তাৰ জেদী মনটোক চিনি পোৱা মাকে আৰু তাক একো নুসুধিলে যদিও ধনী মহাজনৰ ঘৰলৈ নোযোৱাটোকে ঠিক কৰিলে।

মাকক যদিও পালে বেলেগৰ ঘৰত কাম

কৰাৰ কথা অকণে কৈছিল তথাপি তাৰ মনটোৱে সেইটোও মানি লব পৰা নাছিল। মাকক এনে উপাৰ্জনৰ কামৰ পৰা অব্যাহতি দিবলৈ তাৰ মনটোৱে তাক যেন বাৰ বাৰ নিৰ্দেশ দিছিল। আৰু সেয়ে সি আৰম্ভ কৰিছিল নিম্নতম মজুৰীত খেতি মজুৰৰ কাম অথবা জাৰণিৰ খৰি কটা কাম। নেহাৎ প্ৰয়োজনত পৰি যদিও সি খৰি কাটিবলৈ লৈছিল, প্ৰকৃতিৰ অন্যতম সুন্দৰ সৃষ্টি গছ-গছনিবোৰ ধ্বংস কৰিবলৈ তাৰ কোনোপধ্যে মত নগৈছিল। সেয়ে সি বন বিভাগে গছ কাটি নি এৰি থৈ যোৱা গছৰ মূঢ়া বিলাক অথবা সৰু সৰু শুকান অলাগতিয়াল ঠানি বিলাকহে কাটিবলৈ লৈছিল।

অকণে তাৰ গাঁও ৰাণীবড়ীৰ 'অঞ্জনা কেবিন' আৰু তাৰাবাৰীৰ 'নিভা কেবিন'ৰ মালিকৰ লগত একৰকম স্থায়ী বন্দোৱস্ত কৰি লৈছিল। প্ৰতিদিনে ৰাতিপুৱা স্কুললৈ যোৱাৰ পৰলৈকে আৰু আবেলি স্কুলৰ পৰা আহি ৰাতি দোকান বন্ধ কৰালৈকে সি 'অঞ্জনা কেবিন'ত পানী অনা, দোকান সৰা, কাপ-প্লেট আদি ধুৱা কাম কৰিব। আৰু প্ৰত্যেক দেওবাৰে তাৰাবাৰীৰ 'নিভা কেবিন'ত ভাৰে প্ৰতি ছয় টকাকৈ দুই ভাৰ খৰিৰ যোগান ধৰিব।

সেই অনুযায়ী আজি দেওবাৰে খৰি এভাৰ লৈ আহি বকুল জোপাৰ তলত জিৰণি লওঁতে ভাগৰ আৰু ভোকত কিমান সময় তন্দ্ৰা অহাৰ নিচিনা হৈছিল তাৰ খেয়ালে নাছিল। নিচেই ওচৰতে কাৰোবাৰ মাত শুনি দুচকু মেলি দিয়াত সি সম্মুখত দেখা পালে তাৰ প্ৰাইমেৰী স্কুলৰ শিক্ষক কলিতা চাৰক। কলিতা চাৰৰ ঘৰ এইখিনিতে ক'ৰবাত। খৰি আনিলে সি প্ৰায়ে চাৰক লগ পায়। চাৰ এতিয়া বুঢ়া হৈছে। সত্তৰৰ দেওনা কেতিয়াবাই পাৰ হ'ল। মানুহজনক তাৰ কিবা ঈশ্বৰ গোসাঁই যেন লাগে। কিমান বিপদত যে এইজন মানুহে সিহঁতক তৰাই আহিছে ভাবিলে শ্ৰদ্ধাত তাৰ মূৰ দোঁ খাই আহে। অনাটনত পৰি কতবাৰ সি ভাবিছিল স্কুল এৰি দিম বুলি। কিন্তু অকল এই জন মানুহৰ সাহস আৰু সহায়ৰ কাৰণেহে সি সেইটো নকৰাকৈ থাকিব পাৰিছে। তাৰ ল'ৰালি কালত কত দিন দুই-তিনি সাজ খাবলৈ নেপাই সি আৰু মাকে ভোকত কলমলাই থাকোঁতে এইজন মানুহে সিহঁতৰ ঘৰৰ দুৱাৰ মুখত সাক্ষাৎ দেৱতাৰ দৰে থিয় হৈ নিজৰ অনাটন স্বত্বেও দুই-চাৰি টকা আগবঢ়াই সহায় কৰিছে ভাবিলে আজিও তাৰ কৃতজ্ঞতাত চকুলো ওলাই আহে।

চাৰক দেখাৰ লগে লগে অকণ একে জাপে থিয় হৈ চাৰৰ কাষ পালে। তাৰ পাছত হাওলি সি তেওঁৰ ভৰি দুখন চুব খোজতেই তেওঁ মাত লগালে: 'বৰ সুখৰ খবৰ অ' অকণ। তই বৰ সুখ দিলি। মই আশা কৰা মতেই তই প্ৰথম বিভাগ পাইছ। লগতে গণিত আৰু ভূগোলত 'লেটাৰো' পাইছ।'

সিহঁতৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ খবৰ যে কেইদিন মানৰ ভিতৰত ওলাব সেই বিষয়ে অকণৰ এটা মোটামুটি ধাৰণা আছিল। কিন্তু সেইদিনাই খবৰ ওলোৱাত সি যিমান আচৰিত হৈছিল, তাতোকৈ বেছি আচৰিত আৰু লগতে সুখী হৈছিল সি নিজৰ ফলাফলৰ কথা জানি। সি প্ৰথম বিভাগ আশা কৰিছিল যদিও দুটা বিষয়ত

'লেটাৰ' পোৱাৰ আশা কৰা নাছিল। অৱশ্যে তাৰ নিজৰ যোগ্যতা সম্পৰ্কে তাৰ ব্যক্তিগত ধাৰণাতকৈ আনৰ ধাৰণা যে বহু উচ্চ ইতি-মধ্যে বহু কথাতে সি প্ৰমাণ পাইছে।

তাৰ আনন্দ-বিহ্বল অৱস্থাটোলৈ লক্ষ্য কৰি কলিতা চাৰে তাক সুধিলে: 'এতিয়া কি কৰ? পঢ়ৰে নে চাকৰিয়ে কৰ?'

আনন্দৰ আতিশয্যত প্ৰশ্নটোৰ উত্তৰ চিন্তা নকৰাকৈ সি ঘপহকৈ কৈ উঠিল: মই পঢ়িম চাৰ। মই পঢ়িম আৰু বেছিকৈ পঢ়িম।'

কলিতা চাৰৰ পকা গোঁফ কোচাৰ তলত বিমল হাঁহিৰ জিলিঙনি এটা ফুটি উঠিব খুজি-ছিল যদিও ঘৰ্ ঘৰ্ শব্দ কৰি তেওঁলোকৰ ফালে আহি থকা জীপ গাড়ী এখনে সেই জিলিঙনি মুহূৰ্ততে নিৰ্বাপিত কৰিলে। জীপখন তেওঁলোকৰ গাৰ নিচেই কাষতে ৰ'ল। জীপ খন বন বিভাগৰ। জীপখনৰ পৰা খদমদম লগাই নামি আহিল এজন বিষয়া আৰু লাঠী-ধাৰী কেইজনমান বনৰক্ষী। বনৰক্ষী কেইজনে খন্তেকতে অকণক আগুৰি ধৰিলে আৰু এজনে হাতৰ লাঠী ডালেৰে তাৰ পিঠিত পূৰ্ণহুতীয়া কোব এটা মাৰি অদূৰত ৰৈ থকা বিষয়াজনৰ ফালে চাই কবলৈ ধৰিলে: 'চাৰ, ই, ইহঁতেই জাৰণিৰ কাঠবোৰ কাটি কাটি জাৰণি ধ্বংস কৰি পেলাইছে। ইহঁতক চাৰ কোবাই কোবাই নি জেলত ভৰাব লাগে··· ··· ··· ।'

অৱস্থাৰ আচম্বিত পৰিৱৰ্তনত হতভম্ব হৈ পৰা কলিতা চাৰৰ নিৰ্বাকতা কাটি উঠিবলৈ দুই মিনিটমান সময় লাগিল। সম্ভৱৰ দেওনা পাৰ হোৱা কলিতা মাষ্টৰৰ ভিতৰৰ মানুহজন বহুদিনৰ মূৰত যেন সাৰ পাই উঠিল। অঘাইতং ল'বাই তাহানি বাঘ যেন দেখা কলিতা মাষ্টৰে মাষ্টৰৰ গুৰুগম্ভীৰ স্বৰেৰে গৰ্জি উঠিল: তোমা-লোকে মিছা কৈছা। সম্পূৰ্ণ মিছা কথা কৈছা। ই কাঠ কাটে; কিন্তু জধে-মধে নহয়। গছৰ মূঢ়া বা অলাগতিয়াল শুকান ঠানিবোৰহে কাটে। কেলেই— কেলেই তোমালোকে নধৰা ৰাতিৰ আন্ধাৰত ট্ৰাক ভৰাই নিয়া সেই ঠিকাদাৰ দালালহঁতক—সেই চোৰহঁতক কেলেই··'

'হেৰা মাষ্টৰ, তুমি মনে মনে থাকা। তোমাৰ কাম তুমি কৰিবা, আমাৰ কাম আমি কৰিম' —বুলি কলিতা চাৰৰ ফালে বাক্য বাণ নিক্ষেপ কৰি বনৰক্ষী দুজনমানে অদূৰত মৌন হৈ ৰৈ থকা বিষয়াজনৰ মৌনতাকে তেওঁলোকে কৰিব খোজা কামৰ প্ৰতি সন্মতিৰ লক্ষণ বুলি ধৰি লৈ খৰিৰ বোজাটো গাড়ীত তুলি দিলে আৰু সজোৰে কেইটামান চৰ আৰু ঘোচা অকণৰ গাল আৰু দেহত প্ৰয়োগ কৰি তাক টানি নি গাড়ীত ভৰাই দিলে। তাৰ পিচত বিষয়াজন উঠাৰ লগে লগে গাড়ীখন সশব্দে সেই ঠাইৰ পৰা আঁতৰি গ'ল। অকণৰ গাত পৰা প্ৰতিটো চৰ আৰু ঘোচা কলিতা মাষ্টৰে নিজৰ গাত অনুভৱ কৰিলে।

গল্পটোৰ ঘটনা আৰু চৰিত্ৰ সমূহ সম্পূৰ্ণ কাল্পনিক।

## প্ৰশ্নোত্তৰ শিতান ঃ

[ অসমীয়া সমালোচনা-সাহিত্যক এক নতুন ধাৰাৰে আলোকিত আৰু পৰিপুষ্ট কৰা সমালোচক, অসমৰ বুৰঞ্জী, সংস্কৃতিৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশৰ নৱমূল্যায়নৰ পথ প্ৰদৰ্শক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ প্ৰফেছৰ ডক্টৰ ( কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত, ইংৰাজ কবি মিল্টনৰ ওপৰত ) হীৰেন গোহাঁইক অসমৰ সুধী পাঠক সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ আগত ন-কৈ চিনাকি কৰি দিয়াৰ প্ৰয়োজন নাই। কিছুদিন আগত তেখেতে কেইমাহমানৰ কাৰণে দিল্লী বিশ্ববিদ্যালয়লৈ আমন্ত্ৰিত অধ্যাপক হিচাবে গৈ কাম কৰি থকা অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশৰ বাবে অসমৰ পটভূমিত সাহিত্য, সংস্কৃতি, শিক্ষা, সমাজ-ৰাজনীতি আদিৰ সন্দৰ্ভত কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি চিঠি লিখা হৈছিল। নিজৰ অত্যধিক ব্যস্ততাৰ মাজতো আমাৰ অনুৰোধ ৰক্ষা কৰি আমি নিৰ্ধাৰণ কৰি দিয়া সীমিত সময়ৰ ভিতৰত আমাৰ আঠাই কেউটি প্ৰশ্নৰে যথোচিত উত্তৰ পঠিয়াই দিয়া বাবে আমি অকল উপকৃত আৰু উৎসাহিতই হোৱা নাই-- গৌৰৱো অনুভৱ কৰিছোঁ। ড০ গোহাঁইক এই চেগতে আমাৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ]

### আমাৰ প্ৰশ্নসমূহ আৰু ডঃ গোহাঁইৰ উত্তৰ ঃ

**প্ৰশ্ন ঃ** আজি কেবা বছৰে অসমীয়া ভাষাত উচ্চমান বিশিষ্ট সাহিত্য সৃষ্টি নোহোৱা বুলি এটা অভিযোগ সততে শুনা যায়। এই অভিযোগ কিমান দূৰ সত্য ? আৰু যদি সত্য, এই স্থবিৰতাৰ কাৰণ কি বুলি ভাবে ?

**উত্তৰ ঃ** সম্প্ৰতি অসমীয়া সাহিত্যত তেনেধৰণৰ সৃষ্টিমূলক উদ্দীপনা দেখা নাযায়, পঞ্চাশৰ দশকত যেনেধৰণৰ দেখা গৈছিল। তথাপি একেবাৰে একোৱেই নাই হোৱা বুলিলে ভুল হ'ব। মামণি ৰয়চম গোস্বামীৰ কাহিনীসমূহ এটা লেখত লব-লগীয়া অৱদান। বীৰেশ্বৰ বৰুৱাৰ কবিতাবোৰো উচ্চমানৰ। কিন্তু বিপদ হৈছে এইখিনিতে যে বিভিন্ন ৰচনা চালি-জাৰি চাই তাৰপৰা উচ্চমান সম্পন্ন ৰচনা উলিয়াই লৈ সমজুৱাৰ আগত চিনাকি কৰি দিয়া মানুহৰ আজিকালি অভাৱ। পাঠক সকলেও এনেকুৱা আগবঢ়ৰে উচ্চমানসম্পন্ন ৰচনাৰ প্ৰতি আগ্ৰহ আৰু উৎসাহ অনুভৱ কৰা দেখা নাযায়। আমাৰ পঢ়া-শুনাত ভাল ছাত্ৰ-ছাত্ৰী চামৰ বহুতেই মাতৃভাষাৰ প্ৰতি পিঠি দিয়াও তাৰ এটা কাৰণ।

**প্ৰশ্ন ঃ** ভাৰতৰ আন কিছুমান প্ৰাদেশিক ভাষাত আজিকালি কিছুমান উচ্চমান বিশিষ্ট কথাছবিৰ সৃষ্টি হৈছে। অসমীয়া ভাষাত ( কদাচিত ওলোৱা দুই এখনৰ ব্যতিক্ৰমক বাদ দি ) তেনে কথাছবি নোলোৱাৰ কাৰণ কি বুলি ভাবে ?

**উত্তৰ ঃ** কথাছবিৰ– বা যিকোনো শিল্প কলাৰ— যথাযোগ্য বিকাশৰ বাবে অসমত পৰিবেশ গঢ়ি উঠা নাই। উঠি অহা ল'ৰা-ছোৱালীহঁতে কাচিৎ

কেতিয়াবাহে দুই এখন ভাল কথাছবি দেখে। কথাছবি সম্পৰ্কে বিজ্ঞ আৰু আকৰ্ষণীয় আলোচনা অসমীয়া ভাষাত বেছি নহয়। বন্ধু-বান্ধৱ বা বয়সীয়া মানুহৰ কথা-বতৰাত ভাল ভাল কথাছবি সম্পৰ্কে বিশেষ কৌতূহল বা জ্ঞান তেওঁলোকে দেখা নাপায়। তাৰ মাজতো কোনোবাই চিনেমা সম্পৰ্কে কৌতূহলী হৈ উঠিলে কথাছবিৰ কাৰি-কৰি দিশ সম্পৰ্কে বেছি ভূ-ভা নাপায়। আনকি কৌতূহল পূৰাবলৈ অসমত Film Library এটাও নাই। Film Society বোৰ যান্ত্ৰিক ভাৱে চলি আছে।

উচ্চমান বিশিষ্ট কথাছবি ওলাব ক'ব পৰা? তাৰ মাজতো যে দুই-চাৰিখন ওলাইছে সি আমাৰ ভাগ্যৰ কথা।

প্ৰশ্ন: নতুন শিক্ষানীতিয়ে অসমৰ ভাষা-সাহিত্যৰ ওপৰত কিবা অশুভ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে নেকি?

উত্তৰ: নতুন শিক্ষানীতিয়ে সাধাৰণ শিক্ষাৰ বাৰটা বজোৱাৰ পিছত ভাষা-সাহিত্যৰ মৰাশত খৰি দিবলৈহে বাকী থাকিব।

প্ৰশ্ন: গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশত একেবাহে বহু কেইবছৰ কাম কৰাৰ পিছত সম্প্ৰতে আপুনি দিল্লী বিশ্ববিদ্যালয়ত আমন্ত্ৰিত অধ্যাপক হিচাবে কাম কৰিবলৈ গৈ তাৰ শৈক্ষিক পৰিবেশ সম্পৰ্কে আপোনাৰ কেনে প্ৰতি-ক্ৰিয়া হৈছে?

উত্তৰ: দুখৰ বিষয় যে দিল্লীলৈ অহাৰ এমাহমান পিছত মই ইয়াত এক ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হ'ব লগা হ'ল। দুটামান ৰাজনৈতিক দলৰ সমৰ্থক এচাম শিক্ষকে এচাম ছাত্ৰক মোৰ বিৰুদ্ধে উচটাই দিলে। ছাত্ৰসকলে আগৰপৰা মোক চিনি নাপায়। মোৰ অসুখীয়া শৰীৰ লৈ মই সকলোৰে লগত মিলামিছা কৰিবও নোৱাৰোঁ। ফলত এক অত্যন্ত অপ্ৰীতিকৰ পৰিবেশ ৰচনা হ'ল। অৱশ্যে পিছলৈ ছাত্ৰ সকলে নিজৰ ভুল বুজিবলৈ ধৰিছিল। কিন্তু ইতিমধ্যে মোৰ যাবৰে হ'ল। সেয়ে এই প্ৰশ্নৰ বৰ নিৰপেক্ষ উত্তৰ মই দিব নোৱাৰিম।

তথাপি দুটামান কথা তৰ্কাতীত। পৰীক্ষাত ভাল কৰিবলৈ ইয়াৰ ছাত্ৰ-ছাত্ৰীয়ে যিমান কষ্ট কৰে, অসমত বেছিভাগ ছাত্ৰ-ছাত্ৰীকে সিমান কষ্ট কৰা নেদেখোঁ। ইয়াৰ লাইব্ৰেৰিত ছাত্ৰ-ছাত্ৰীৰ ভীৰ দেখিলে ভাল লাগে। কিন্তু পৰীক্ষাত ভাল কৰিবলৈ যিমান আগ্ৰহ, জানিবলৈ সিমান আগ্ৰহ দেখা নাপালোঁ। ফলত শৈক্ষিক পৰিবেশ ভাল হ'লেও বৌদ্ধিক পৰিবেশ বৰ উন্নত বুলিব নোৱাৰিলোঁ। শিক্ষকসকলৰ মাজতো এক ধৰণৰ Careerism বাঢ়িছে—নিজৰ খ্যাতি বা উন্নতিৰ বাহিৰে আন কোনো উদ্দেশ্যত যেন কাম নকৰিব, তেনে মনোভাব শিপাইছে। ভাৰত চৰকাৰৰ ৰাজনৈতিক দুষ্ট বুদ্ধিয়েও ইয়াত উপযুক্ত শৈক্ষিক পৰিবেশ গঢ়ি উঠিবলৈ দিয়া নাই যেন লাগে। চৰকাৰৰ ফলীয়া নিৰ্বোধ মানুহকো সা-সন্মান দি, আৰু চৰকাৰ বিৰোধী বিজ্ঞজনকো লাঞ্ছনা কৰি (যেনে J. N. U.ৰ ধীৰেন্দ্ৰ শৰ্মা নামৰ অধ্যাপক এজনক), চৰকাৰে বৌদ্ধিক পৰিবেশলৈ বিস্তৰ খেলি-মেলি আমদানি কৰিছে। পশ্চিমৰ পুঁজিবাদী দেশবোৰৰ বেছিভাগ অধ্যাপকেই পুঁজিবাদ সমৰ্থন কৰে। অথচ তেওঁলোকৰ

কোনোৱেই সংসামৰিক চৰকাৰ বা ৰাষ্ট্ৰ নেতা সকলক খাটিব নকৰে।

প্ৰশ্ন : বৰ্তমান আমৰ জনজাতীয় মানুহখিনি এটা বিভাজন প্ৰবণতাৰ দ্বাৰা প্ৰভাবান্বিত হোৱা যেন দেখা যায়। এইটো অজনজাতীয় মানুহ খিনি আৰু তেওঁলোকৰ মাজৰ পাৰস্পৰিক ভুল বুজা-বুজিৰ ফলতেই সৃষ্টি হোৱা যেন লাগে আৰু ইয়াৰ পৰিণতি নিসন্দেহে অসমৰ বৃহত্তৰ স্বাৰ্থৰ পৰিপন্থী। অসমৰ সচেতন মানুহ খিনিয়ে এই ক্ষেত্ৰত কেনে ভূমিকা লোৱা উচিত বুলি ভাৱে?

উত্তৰ : (ক) জনজাতীয় সকলৰ অভাৱ-অভিযোগ সঘন আলাপ-আলোচনা, সহৃদয় অনুসন্ধান আদিৰ দ্বাৰা জানি লৈ সেইবোৰ দূৰ কৰিবলৈ আন্তৰিক চেষ্টা চলাব লাগে। যেনে ধৰক এটা অনুন্নত জনজাতীয় অঞ্চলৰ স্কুলত বেছিভাগ ছাত্ৰ-ছাত্ৰী বেছিদিন স্কুলত নাথাকে, নামভৰ্ত্তি কৰি উঠাৰ কেইমাহমান পিছতে আঁতৰি যায়, মেট্ৰিক দিব পৰা স্তৰলৈ উঠা দূৰৰে কথা। কেনে ধৰণৰ আৰ্থ-সামাজিক কাৰণত এনে ঘটনা ঘটে উলিয়াই লৈ সেইবোৰ কাৰণ নিৰ্মূল কৰাৰ চেষ্টা কৰিব লাগে।

(খ) চাকৰি-বাকৰি আদি সুবিধাত জনজাতীয় লোক যাতে বঞ্চিত নহয় তালৈ সজাগ দৃষ্টি ৰাখিব লাগে। অসম পুলিচৰ নতুন বেটেলিয়ন গঠিবৰ সময়ত হেনো জনজাতীয় মানুহলৈ চকু মেলি চোৱাই নহ'ল। এনেবোৰ কথা ধৰা পেলাই সচেতন অসমীয়া চামে তুৰন্তে তাক সংশোধন কৰাব লাগে।

(গ) জনজাতীয় শিল্পী-সাহিত্যিক আদিক আমাৰ বৃহল সমাজৰ মাজত পৰিচয় কৰি দি তেওঁলোকক আদৰ জনাব লাগে ইত্যাদি।

স্বাঃ হীৰেন গোহাঁই
৪।১২।৮৮ ইং

# সাংস্কৃতিক সাময়িকী ঃ

১৯৮৭-৮৮ চনৰ 'জৱাহৰ জ্যোতি' সংখ্যাত অসমৰ সাম্প্ৰতিক সাংস্কৃতিক জগতৰ কেইটামান উৎসাহজনক বতৰা আৰু সেই সন্দৰ্ভত হোৱা আমাৰ প্ৰতিক্ৰিয়া সাহিত্য-সংস্কৃতিপ্ৰেমী ছাত্ৰ-ছাত্ৰী আৰু সুধী পাঠক সমাজলৈ আগবঢ়াবলৈ পাই আমি গৌৰৱৰ লগতে আনন্দও অনুভৱ কৰিছোঁ।

**(১) সাহিত্য অকাদেমীৰ সভাপতি হিচাপে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ** এইবেলি সাহিত্য অকাদেমীৰ নিচিনা সৰ্বভাৰতীয় মৰ্যাদাপূৰ্ণ অনুষ্ঠান এটিৰ সভাপতি নিৰ্বাচিত কৰাটো অকল তেওঁৰ বাবেই গৌৰৱৰ কথা নহয়—এই গৌৰৱেৰে গৌৰবান্বিত অসমীয়া জাতি, অসমীয়া সাহিত্য আৰু অসমীয়া সাহিত্যপ্ৰেমী ৰাইজ। আমি আশা কৰিছোঁ তেওঁৰ কাৰ্যকালত অসমীয়া সাহিত্যৰ অন্ততঃ কিছু সংখ্যক বাছকবনীয়া গ্ৰন্থই দেশ আৰু বিদেশত উপযুক্ত প্ৰচাৰ লাভ কৰিব। আমাৰ ধাৰণা, অসমীয়া সাহিত্যৰ তাকৰীয়া হলেও এনে কিছু গ্ৰন্থ আছে যি উপযুক্ত প্ৰচাৰৰ অভাৱত সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক খ্যাতিৰ পৰা অদ্যাপি বঞ্চিত হৈ আছে। ড° ভট্টাচাৰ্যলৈ আমাৰ হিয়াভৰা অভিনন্দন যাচিছোঁ আৰু অসমীয়া সাহিত্য আৰু জাতিলৈ তেওঁৰ পৰা অধিকতৰ অৱদান আৰু গৌৰৱ কামনা কৰিছোঁ।

**(২) 'সদস্য মহীয়ান' ড° মহেশ্বৰ নেওগ ঃ** বৈষ্ণৱ যুগীয় সাহিত্য-সংস্কৃতিৰ অসামান্য পণ্ডিত আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশত একেবাহে কেবাদশক একনিষ্ঠতাৰে বিস্তৰ গুৰুত্বপূৰ্ণ আৰু পাণ্ডিত্যপূৰ্ণ অৱদান আগবঢ়াই অহা ড° মহেশ্বৰ নেওগক ১৯৮৭ চনত অসম সাহিত্য সভাই যথা-যোগ্যভাৱে 'সদস্য মহীয়ান' উপাধিৰে বিভূষিত কৰাত আমি সুখী হৈছোঁ। এনে উপাধি ভৱিষ্যতে যাতে কেৱল সুযোগ্যজনকহে প্ৰদান কৰা হয় তালৈ অসম সাহিত্য সভাই দৃষ্টি ৰাখিব বুলি আশা কৰিলোঁ।

**(৩) সাহিত্য অকাদেমী বঁটা বিজয়ী ডঃ লক্ষ্মীনন্দন বৰা ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ পদাৰ্থবিদ্যা আৰু কৃষি-মৌচুমী বিজ্ঞানৰ মুৰব্বী অধ্যাপক অসমৰ প্ৰথিতযশা ঔপন্যাসিক আৰু গল্পকাৰ ড° লক্ষ্মীনন্দন বৰাক তেওঁৰ উপন্যাস 'পাতাল ভৈৰৱী'ৰ বাবে এইবেলি সাহিত্য অকাদেমীৰ বঁটাৰে পুৰস্কৃত কৰাত আমি সুখী হৈছোঁ। এতিয়ালৈ প্ৰায় কুৰি গ্ৰন্থৰ ৰচয়িতা ডঃ বৰাক আমি অভিনন্দন জনোৱাৰ লগতে তেওঁৰ পৰা ভৱিষ্যতে অসমীয়া সাহিত্যলৈ আৰু অধিক অৱদান কামনা কৰিছোঁ।

**(৪) সঙ্গীত নাটক অকাদেমী বঁটা বিজয়ী প্ৰতিমা পাণ্ডে ঃ** গোৱালপৰীয়া লোকগীতৰ স্বনামধন্যা গায়িকা শ্ৰীমতী প্ৰতিমা পাণ্ডেৰ এইবেলি অসমীয়া লোক সঙ্গীতৰ ক্ষেত্ৰত সঙ্গীত নাটক অকাদেমীৰ বঁটা লাভ তেওঁৰ লগতে আমাৰ বাবেও গৌৰৱ আৰু আনন্দৰ বতৰা। মৌ-বৰষা

কণ্ঠেৰে গোৱালপৰীয়া লোকগীতৰ স্বমৰ্যাদা বজাই ৰাখি বছৰৰ পাছত বছৰ গীত পৰিবেশন কৰি প্ৰতিজন শ্ৰোতাৰে অন্তৰ জয় কৰি অহা এই গৰাকী সুকণ্ঠী দৰদী গায়িকাৰ সদ্যপ্ৰাপ্ত বঁটাৰ কথা ভাবিলে গৌৰব আৰু আনন্দৰ লগতে বিলম্বিত স্বীকৃতি (আমাৰ ধাৰণাত) ৰ বাবে মনলৈ অকণমান আক্ষেপো নহাকৈ নাথাকে।

(৫) সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক বঁটা বিজয়ী কথাছবি 'হালধীয়া চৰায়ে বাওধান খায়' : ১৯৮৭ চনত অনুষ্ঠিত ৩৫ তম সৰ্বভাৰতীয় চলচিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ কথাছবি হিচাবে নিৰ্বাচিত হৈ 'স্বৰ্ণকমল' বঁটা লাভ কৰা প্ৰথম অসমীয়া কথাছবি জাহ্নু বৰুৱা পৰিচালিত 'হালধীয়া চৰায়ে বাওধান খায়ে' প্ৰায় লগালাগিকৈ ১৯৮৮ ত চুইজাৰলেণ্ডৰ লোকাৰ্ণোত অনুষ্ঠিত ৪১ তম অন্তৰ্জাতিক চলচিত্ৰ মহোৎসৱত সৰ্বশ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ আৰু দ্বিতীয় শ্ৰেষ্ঠ ছবি হিচাবে পুৰস্কাৰ লাভ কৰি অসমৰ সাংস্কৃতিক জগতলৈ যি বিৰল খ্যাতি কঢ়িয়াই আনিলে তাৰবাবে পৰিচালক জাহ্নু বৰুৱা, মূল অভিনেতা তথা প্ৰতিযোগিতাৰ সৰ্বশ্ৰেষ্ঠ অভিনেতাৰ বঁটা বিজয়ী ইন্দ্ৰ বনিয়া, ছবিখনৰ অন্যান্য কৃতী অভিনেতা-অভিনেত্ৰী আৰু সংশ্লিষ্ট আন আন সকললৈ আমাৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ।

**অসমীয়া কথাছবি আৰু 'হালধীয়া চৰায়ে বাওধান খায়' প্ৰসঙ্গত আমাৰ আখৰ চেৰেক :**

'হালধীয়া চৰায়ে বাওধান খায়' ছবিখন সম্পৰ্কে কোৱাৰ আগতে অসমীয়া কথাছবিৰ সন্দৰ্ভত দুটামান কথা উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। চিত্ৰনাট্য, সংলাপ আৰু সংলাপ পৰিবেশনৰ দুৰ্বলতা, কিছুমান চেটিং (Setting)ৰ অবাস্তৱতা; গীতৰ বাহুল্য, অপ্ৰয়োজনীয় গীত আৰু দৃশ্যৰ সংযোজন; প্ৰয়োজনীয় দৃশ্য কিছুমানৰ অবাঞ্ছিত আৰু আমনিদায়ক দৈৰ্ঘতা আদি বহু ত্ৰুটি-বিচ্যুতিৰে ভাৰাক্ৰান্ত অসমীয়া কথাছবিৰ এটা মূল দুৰ্বলতা হৈছে প্লটৰ দুৰ্বলতা। প্লটৰ ওপৰত নিৰ্ভৰ কৰিয়ে চিত্ৰনাট্য আৰু আন আন বহুবোৰ কথা। আন আন দিশত সম্পূৰ্ণ নহ'লেও বহু পৰিমাণে ত্ৰুটিহীন হৈ প্ৰদৰ্শিত হোৱা বহু অসমীয়া কথাছবিৰ ব্যৰ্থতাৰ কাৰণ নিঃসন্দেহে প্লটৰ দুৰ্বলতা। কোৱা বাহুল্য, আলোচ্য কথাছবিখনৰ প্লট লোৱা হৈছিল অসমীয়া সাহিত্যৰ সুপ্ৰতিষ্ঠিত স্বনামধন্য সাংবাদিক সাহিত্যিক শ্ৰীহোমেন বৰগোহাঞিৰ একে নামৰ উপন্যাসখনৰ পৰা। আন কথাত, অসমীয়া কথাছবিয়ে সততে যিটো দুৰ্বলতাৰ দ্বাৰা আক্ৰান্ত হ'বলগীয়া হয়, সেই দুৰ্বলতাৰ পৰা এইখন কথাছবিক অব্যাহতি দিয়াৰ এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা ব্যক্তিজন হৈছে শ্ৰীহোমেন বৰগোহাঞি।

পুৰস্কাৰ লাভৰ পাছত ছবিখনৰ ওপৰত হোৱা আলোচনা সমালোচনা সমূহৰ বেছি ভাগতে জাহ্নু বৰুৱাই উপন্যাসৰ বিষয়-বস্তুক ব্যৱহাৰ কৰোঁতে কৰা যোগ-বিয়োগৰ কথাকে সপ্ৰশংসভাৱে আৰু প্ৰধানকৈ আঙুলিয়াই দিয়া দেখা গৈছে। এই সন্দৰ্ভত হোৱা আমাৰ প্ৰতিক্ৰিয়া এই চেগতে থূলমূলকৈ ব্যক্ত কৰিব খুজিছোঁ।

জাহ্নু বৰুৱাই ছবিখনৰ প্লটত কৰা দুই

এটা সংযোজন বলিষ্ঠ। উদাহৰণ স্বৰূপে, ছবিখনৰ সামৰণিৰফালে সনাতন শৰ্মাই বসেশ্বৰৰ পৰা অন্যায়ভাৱে আত্মসাৎ কৰা সাতামপুৰুষীয়া মাটি ডোখৰ বসেশ্বৰক ঘূৰাই দিয়াৰ পাছতো বসেশ্বৰে ভোটৰ আগে আগে ভোট প্ৰাৰ্থী সনাতন শৰ্মাৰ ছবি এখন বন্য উন্মত্ততাৰে ধ্বংস কৰা আৰু মাটি ঘূৰাই পায়ো সনাতনৰ নিচিনা শোষণ-কাৰীক ভোট নিদিবলৈ সিদ্ধান্ত কৰাৰ উক্তি আৰু অঙ্গীকাৰ বলিষ্ঠ।

ৰব গোহাঞিৰ উপন্যাসত বসেশ্বৰক মাটি ঘূৰাই দিয়া অথবা সনাতনৰ বিৰুদ্ধে বসেশ্বৰে এনে তীব্ৰ প্ৰতিবাদমুখী ভূমিকা লোৱা দেখুওৱা হোৱা নাই। সম্ভৱ বাস্তৱ অভিজ্ঞতাৰ পৰা ঔপন্যাসিক ৰব গোহাঞিয়ে আমাৰ সমাজত তেনে সময় সমাগত হোৱা দেখা নোপোৱা কাৰণেই তেনে চিত্ৰ অঙ্কন কৰাৰ পৰা বিৰত আছে। তাৰ পৰিৱৰ্তে তেওঁ বসেশ্বৰক সনাতনে মাটি-ডোখৰ আত্মসাৎ কৰাৰ পাছৰ পৰাই মাটিডোখৰ উদ্ধাৰ কৰাৰ বাবে নানান ভ্ৰান্ত আৰু ব্যৰ্থ চেষ্টা-প্ৰবন্ধ কৰি তিলতিলকৈ সৰ্বশ্ৰান্ত হোৱা— আনকি প্ৰতিবাদ কৰাৰ চিন্তা বা শক্তি হেৰুৱাই পেলোৱা শ্ৰেণীবিভক্ত সমাজৰ শোষণৰ চৰম বলি এজন হিচাপে দাঙি ধৰিছে। আনকি উপন্যাসৰ শেষৰফালে ভোটৰ আগে আগে সনাতনে বসেশ্বৰৰ ঘৰলৈ আহি ঘঁৰিয়ালৰ চকুপানী টুকি বসেশ্বৰৰ ঘৰখনৰ ভোট খোজাৰ লগতে টকা পঁচিশটা আগধন হিচাপে দি পিছদিনাৰ পৰা বসেশ্বৰক ভোটৰ কামত খাটিবলৈ কোৱাতো নিজৰ আৰু নিজৰ পৰিয়ালৰ সৰ্বনাশ সাধন কৰা সনাতনৰ বিৰুদ্ধে বসেশ্বৰৰ প্ৰতিবাদ, বিদ্বেষ বা হিংসাৰ ভাৱ উথলি নুঠিল—অন্যায়, শোষণ আৰু দুৰৱস্থাই প্ৰতিবাদমুখী সকলো চিন্তা নাশ কৰি দিকবিদিক শূন্য অৱস্থা এটিত উপনীত কৰোৱা আন দহজন সৰ্বহাৰাৰ দৰে তৎকালীনভাৱে বসেশ্বৰৰ ধনী শ্ৰেণীটোৰ প্ৰতি থকা স্বাভাৱিক ভয় আৰু দাস্যতাৰ ভাৱহে জাগি উঠিল— যাৰ ফলস্বৰূপে সি সনাতনৰ প্ৰতি ভয়-ভক্তিত গদ্‌গদ হৈ সনাতনক সসম্ভ্ৰমেৰে গ্ৰহণ কৰাৰ উপৰিও সনাতনৰ কথামতে পিছদিনাৰ পৰা সনাতনৰ ভোটৰ পোষ্টাৰ মৰা কামত আনন্দেৰে আৰু কুকুৰ সুলভ দাস্যতাৰে ব্যস্ত হৈ পৰিল। নকলেও হ'ব, উপন্যাসৰ শেষ পৰ্যন্ত ৰব গোহাঞিয়ে শ্ৰেণী বিভক্ত সমাজৰ শোষণৰ যি উৎকট, নগ্ন আৰু সদায় ঘটি থকা স্বাভাৱিক ছবি এখন অঙ্কন কৰিছে, যথাযথভাৱে সেই ছবিখন জাহ্নু বৰুৱাই তেওঁৰ কথাছবিত দাঙি ধৰিলেও তাৰ Effect য়ে দৰ্শকৰ বিবেকক এনে গভীৰভাৱে আলোড়িত কৰিলেহেঁতেন আৰু দৰ্শকৰ মনত বহু দিনলৈ সাঁচ পৰি থকাকৈ এনেভাৱে ৰেখাপাত কৰিলেহেঁতেন যে তেতিয়াও ই এখন সাৰ্থক কথাছবিতে পৰিণত হ'লহেঁতেন বুলি ভবাৰ থল আছে। তেতিয়া নামকৰণৰ যথাৰ্থতাও পুৰামাত্ৰাই ৰক্ষা হ'লহেঁতেন।

জাহ্নু বৰুৱাৰ আন এটা সংযোজনৰ ক্ষেত্ৰতো চুবাৰ কোৱাৰ প্ৰয়োজন আছে। সাধাৰণতে কথাছবিৰ নিচিনা জন মাধ্যম একোটাত সমাজৰ একোটা শ্ৰেণীৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ একোটাহে আশা কৰা যায়—যাতে সেই চৰিত্ৰটোৱে সেই

শ্ৰেণীটোৰ যথাযথ প্ৰতিফলন ঘটাই সেই শ্ৰেণী-টোৰ চৰিত্ৰ দৰ্শকক অৱগত কৰে। কিন্তু এই দৃষ্টি কোণৰ পৰা জাহ্নু বৰুৱাৰ নিজা সৃষ্টি বা সংযোজন মাটি হাকিমৰ চৰিত্ৰটো অসাৰ্থক বুলি ক'লেও অত্যুক্তি নহয়। সন্দেহ নাই, এজন উদাৰ, দয়ালু আৰু দুৰ্নীতিমুক্ত বিষয়া হিচাপে হাকিমক দাঙি ধৰাত পৰিচালক সফল হৈছে। কিন্তু সেইটো কৰিবলৈ যাওঁতে এনে এক ধাৰণা দিয়া হৈছে যেন আমাৰ সমাজত দুৰ্নীতি মণ্ডল, কেৰাণী, পিয়ন আদি তল শ্ৰেণীৰ চাকৰিয়াল সকলৰ মাজতহে আবদ্ধ। অথচ আমাৰ দৈনন্দিন সাধাৰণ অভিজ্ঞতাৱে এই কথাৰ সত্যতা কোনো পধ্যে মানি ল'ব নোৱাৰে। মাটিহাকিমৰ চৰিত্ৰটো সেয়ে এটা শ্ৰেণীৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ নহয়—ই এটা সম্পূৰ্ণ ব্যক্তিগত চৰিত্ৰহে। তদুপৰি, সনাতনৰ হাতৰপৰা ৰসেশ্বৰৰ মাটিখিনি উদ্ধাৰ কৰাৰ ক্ষেত্ৰত হাকিমৰ যি ভূমিকা দেখুওৱা হৈছে সিও বহু পৰিমাণে কষ্ট-কল্পিত, নাটকীয় (Theatrical) আৰু অপ্ৰয়োজনীয় যেন বোধ হয়। সনাতন শৰ্মাৰ বিৰুদ্ধে উঠা আন দলৰ ভোটপ্ৰাৰ্থীজনে ৰসেশ্বৰক সনাতনৰ শোষণৰ মুখা খোলাৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰাৰ যি ইঙ্গিত হাকিম আৰু মণ্ডলৰ চৰিত্ৰৰ জৰিয়তে পৰোক্ষভাবে ছবিখনত দিয়া হৈছে তাক প্ৰত্যক্ষ আৰু প্ৰকটভাবে কাৰ্যত দেখুৱাই সনাতনক মাটি ঘূৰাই দিবলৈ বাধ্য কৰা দেখুৱালে বেছি বাস্তৱ আৰু প্ৰত্যয়যুক্ত হ'লহেঁতেন বুলি আমাৰ ধাৰণা। মধ্যবিত্তৰ মোহৰ পৰা মুক্ত হৈ বাস্তৱ-তাৰ এনেবোৰ দিশৰ প্ৰতি অধিক সচেতন হ'লে দীঘলীয়া ভৱিষ্যৎ, প্ৰচুৰ সম্ভাৱনা আৰু প্ৰতিশ্ৰুতি থকা এই গৱাকী চিত্ৰ পৰিচালকে যে ভৱিষ্যতে আমাক ইয়াতকৈও বেছি উচ্চমানসম্পন্ন ছবি চোৱাৰ সৌভাগ্য দান কৰিব পাৰিব আৰু লগতে অসমৰ সাংস্কৃতিক জগতলৈ আৰু অধিক খ্যাতি কঢ়িয়াই আনিব সেই বিষয়ে সন্দেহ নাই। ●

[এই শিতানৰ কথাখিনি আৰু সমালোচনাটি আগবঢ়ালে আলোচনীৰ তত্ত্বাৱধায়ক অধ্যাপক দিলীপ দাস।]

# অলিম্পিক আৰু ভাৰত

প্ৰায় ১২০০ বছৰ গ্ৰীচত ক্ৰমান্বয়ে চলি অহাৰ পিছত ৩৯৩ খৃঃত গ্ৰীচৰ এজন সম্ৰাটে পুৰণি গ্ৰীচৰ ঐতিহ্যমণ্ডিত অলিম্পিক খেলৰ অগ্নিশিখা নিৰ্বাপিত কৰি দিলে। তাৰ সুদীৰ্ঘ কাল বিৰতিৰ পাছত কিছু ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত পুনৰ থন ধৰি উঠা অলিম্পিকক ১৮৯৪ চনৰ ২৪ মাৰ্চত এথেন্স চহৰত আধুনিক যুগৰ অলিম্পিক মুকলি কৰিলে গ্ৰীক সম্ৰাট প্ৰথম জৰ্জে। এই দৰে আৰম্ভ হ'ল আধুনিক অলিম্পিক খেল। প্ৰথম খেলখনত ৯বিধ খেলৰ ৪৩টা বিভাগত প্ৰতিযোগিতা হৈছিল। আটাইতকৈ প্ৰিয় বিভাগটো আছিল মাৰাথান দৌৰ প্ৰতিযোগিতা। প্ৰথম অলিম্পিকত মাৰথান দৌৰত প্ৰথম স্থান লাভ কৰে গ্ৰীচৰ দৌৰবীৰ লুইচেকে। এইদৰে নতুন উৎসাহ উদ্দীপনাৰে আৰম্ভ হ'ল আধুনিক অলিম্পিক খেল।

প্ৰাচীন কালৰ দৰেই আজিৰ অলিম্পিক উৎসৱো অনুষ্ঠিত হয় প্ৰতি চাৰি বছৰৰ মূৰে মূৰে। কিন্তু বিশ্বযুদ্ধৰ বাবে ১৯১৬,১৯৪০ আৰু ১৯৪৪ চনত অলিম্পিক খেল বন্ধ হৈছিল।

লাহে লাহে আৰম্ভ হ'ল অলিম্পিকৰ ওপৰত ৰাজনীতিৰ অবাঞ্ছিত হস্তক্ষেপ। ১৯৮০ চনৰ মস্কো অলিম্পিক বৰ্জন কৰিলে আমেৰিকা আৰু পশ্চিম ইউৰোপৰ দেশসমূহে—ৰুচিয়াই আফগানিস্থানত কৰা হস্তক্ষেপৰ প্ৰতিবাদত। ফলস্বৰূপে অলিম্পিকত এই দেশসমূহে অংশ গ্ৰহণ কৰা নকৰা বিষয়টো ৰাজনৈতিক বিষয়-বস্তু হৈ পৰিল। তাৰ পিছত ৰাচিয়া আৰু পূব ইউৰোপৰ দেশ সমূহে বৰ্জন কৰিলে লছ এঞ্জেলছ অলিম্পিক। এই দৰে ৰাজনীতিৰ অবাঞ্ছিত হস্তক্ষেপৰ ফলত আন্তৰ্জাতিক অলিম্পিক কমিটি নিৰুপায় হৈ পৰিল। অৱশ্যে এইবাৰ ছিউল অলিম্পিকত মাত্ৰ সাধাৰণ দুই-চাৰিখন দেশৰ বাহিৰে প্ৰায় সকলো দেশে যোগদান কৰাটো শুভ লক্ষণ।

১৯৮৮ চনৰ চেপ্তেম্বৰ মাহৰ ১৭ তাৰিখে মনোমোহা জাক-জমকতাৰে এচিয়া মহাদেশত দ্বিতীয় বাৰৰ বাবে অলিম্পিকৰ শুভ সূচনা হয়। ছিউলৰ ইতিহাসত স্মৰণীয় ১৭ ছেপ্তেম্বৰৰপৰা ২ অক্টোবৰলৈ এই পোন্ধৰটা দিন। এই কেইটা দিনত বিশ্বৰ শ্ৰেষ্ঠ তাৰকাসকলে নিজ দেশৰ লাখ লাখ নাগৰিকৰ শুভেচ্ছা আশীৰ্বাদ আৰু সমৰ্থন শিৰত তুলি লৈ শ্ৰেষ্ঠত্বৰ প্ৰতিযোগিতাতত অৱতীৰ্ণ হৈছিল। লছ এঞ্জেলছৰ অলিম্পিক বৰ্জন কৰাৰ পিছত এইবেলি ৰাচিয়া আৰু পূব ইউৰোপৰ


দেশ সমূহেও পুনৰবাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি আজলি ভৰাই পদক সমূহ হস্তগত কৰে। ৰাচিয়া আৰু পূব ইউৰোপৰ দেশ সমূহে লাভ কৰা পদকৰ সংখ্যা হ'লঃ (১) ৰাচিয়া সোণ ৫৫, ৰূপ ৩১, ব্ৰঞ্জ ৪৬ টা; (২) পূব জাৰ্মেনী – সোণ ৩৭ টা, ৰূপ ৩৫ টা, ব্ৰঞ্জ ৩০ টা; ৩) হাঙ্গেৰী – সোণ ১১ টা, ৰূপ ৬ টা, ব্ৰঞ্জ ৬ টা; (৪) বুলগেৰিয়া—সোণ ১০ টা, ৰূপ ১২ টা, ব্ৰঞ্জ ১৩ টা, (৫) ৰুমানিয়া– সোণ ৭ টা, ৰূপ ১১ টা, ব্ৰঞ্জ ৫ টা; (৬) যুগোশ্ল'ভিয়া - সোণ ৩টা, ৰূপ ৪টা, ব্ৰঞ্জ ৫টা; (৭) চেক'শ্লভিয়া— সোণ ৩টা, ৰূপ ৩টা, ব্ৰঞ্জ ২টা; (৮) পোলেণ্ড— সোণ ২টা, ৰূপ ৫ টা, ব্ৰঞ্জ ৯টা।

এই প্ৰসঙ্গত উল্লেখ কৰা ভাল যে আধুনিক অলিম্পিকৰ সমুখত ভয়াবহ ভাবে দেখা দিছে 'ডোপিং'। যি কোনো খেল-ধেমালিতে কৃত-কাৰ্যতাৰ বাবে ড্ৰাগ বা অননুমোদিত আন বাহ্যিক উপাদান ব্যৱহাৰ কৰা অন্যায় কাৰ্য। অলিম্পিক বিধিমতে এজন খেলুৱৈয়ে 'ডোপিং' অৰ্থাৎ ড্ৰাগ ব্যৱহাৰ কৰি পাৰদৰ্শিতা বৃদ্ধি কৰাৰ প্ৰচেষ্টা ধৰা পৰিলে কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা আছে। সেয়ে এইবাৰ ছিউল অলিম্পিকত এই অপৰাধত দোষী সাব্যস্ত কৰি বহু কেইজন খেলুৱৈৰ পদক কাঢ়ি অনা হৈছে। তাৰ ভিতৰত চাঞ্চল্যকৰ ঘটনাটো হ'ল ১০০ মিটাৰ দৌৰত বিশ্ব ৰেকৰ্ড প্ৰতিষ্ঠা কৰা কানাডাৰ বেন জনচন।

উন্নত প্ৰশিক্ষণ ব্যৱস্থা থকা আৰু আধুনিক সা-সৰঞ্জাম ব্যৱহাৰ কৰা উন্নত দেশৰ প্ৰতিযোগী সকলক পৰাস্ত কৰি ভাৰতে পদক লাভ কৰা আকাশ কুসুম কল্পনা। তথাপি আমি সকলোৱে আশা কৰিছিলো বিশ্বৰ হকী ইতিহাসত অভি-লেখ সৃষ্টিকাৰী ভাৰতীয় হকী দলটোৱে আৰু ট্ৰেকৰ ৰাণী পি.টি উষাই ছিউলত Victory Stand ত থিয় দি ভাৰতৰ বাবে নিশ্চয় পদক কঢ়িয়াই আনিব। কাৰণ চাৰি বছৰ আগতে মাত্ৰ এক চেকেণ্ডৰ এশ ভাগৰ এভাগ সময়ৰ বাবে উষাই ৪০০ মিটাৰ হাৰ্ডল ৰেচত ব্ৰঞ্জৰ পদকৰ পৰা বঞ্চিত হৈছিল। কিন্তু সেই উষাই এইবেলি অলিম্পিকত আমাৰ আশাত চেঁচা পানী ঢালি ছেমি ফাইনেল খেলিবৰ যোগ্যতাও অৰ্জন কৰিব নোৱাৰিলে। ভাৰতৰ আন এটা আশাৰ থলি হকীতো ভাৰতে একে ব্যৰ্থতা প্ৰদৰ্শন কৰিলে। সামগ্ৰিকভাবে চৰম ব্যৰ্থতা প্ৰদৰ্শন কৰি সুদা হাতেৰে ভাৰতে ছিউলৰ পৰা উভতি আহে।

এইটো সত্য যে, চীন, জাপান আৰু দক্ষিণ কোৰিয়াৰ কিছু সফলতা বাদ দিলে এচিয়াৰ দেশ সমূহৰ দক্ষতা শোচনীয়। কিন্তু ভাৰতৰ দৰে এখন শক্তিশালী দেশৰ ব্যৰ্থতা সঁচাকৈ চিন্তনীয়। বিশ্ব মানৰ খেলুৱৈ সুলভ প্ৰতিভা আৰু বিচক্ষণতা প্ৰকাশ কৰাৰ একমাত্ৰ ৰঙ্গমঞ্চ হৈছে এই অলিম্পিক। মানুহৰ শাৰীৰিক উৎকৰ্ষ আৰু সুস্থতা, প্ৰীতি আৰু ঐক্য অলিম্পিকৰ মাজেদি প্ৰতিভাত হৈ উঠে। সেয়ে অলিম্পিক পদক বিজয়ে কঢ়িয়াই আনে এখন দেশৰ বাবে মহান সন্মান। ভাৰতীয় খেলুৱৈ সকলে নিষ্ঠা আৰু একাগ্ৰতাৰে অনুশীলন কৰিলেহে ১৯৯২ চনৰ বাৰ্চেলোনাৰ অলিম্পিকলৈ আশাৰে বাট চাব পাৰোঁ। *

[* এই শিতানৰ কথাখিনি যুগুতাই দিলে অধ্যাপক দ্বিজেন দাসে।]



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ মোৰ শ্ৰদ্ধা/মৰম নিবেদন কৰিলোঁ। যোৱা ইং ১৯৮৭-৮৮ চনৰ শিক্ষা বছৰৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিবলৈ সুযোগ দিয়াৰ বাবে শুভাকাংখী ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

বিগত বছৰটোত বিভিন্ন ভুল শুদ্ধৰ মাজেদি আমাৰ কাৰ্য্যকাল অতিবাহিত কৰিলোঁ। ছাত্ৰ-ছাত্ৰী সকলক সেৱা কৰাৰ মানসেৰে আগবাঢ়ি আহি কেনেধৰণৰ সেৱা কৰিলোঁ সেয়া আপোনাসকলৰ বিচাৰ্য। সাধাৰণ সম্পাদকৰ দৰে এই গধুৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হোৱাৰ মূলতে হ'ল মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঙৰীয়া, ভাৰপ্ৰাপ্ত শিক্ষাগুৰু আৰু বিভাগীয় সম্পাদক-সম্পাদিকা সকলৰ লগতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ মৰম, পৰামৰ্শ আৰু সহযোগিতা।

বিশ্ব বৰেণ্য নেতা পণ্ডিত জৱাহৰলাল নেহৰুৰ নামত উছৰ্গিত, ইং ১৯৬৪ চনত স্থাপিত আৰু মাত্ৰ ৭২ জন ছাত্ৰ-ছাত্ৰীৰে ইং ১৯৬৯ চনত ঘাটি মঞ্জুৰী লাভ কৰা আমাৰ মহাবিদ্যালয়খন বয়সৰ ফালৰ পৰা যদিও ৰূপালী জয়ন্তী উৎসৱৰ দুৱাৰ দলিত, অৰ্থনৈতিক ভাৱে পিচপৰা জনজাতি আবেষ্টনিত প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনৰ বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগ সমূহৰ অপৰিহাৰ্য কিছুমান আজিলৈ পূৰণ কৰিব নোৱাৰাতো অতি পৰিতাপৰ কথা।

বিগত ইং ১৯৮৬ চনতে উচ্চতৰ মাধ্যমিক শ্ৰেণীত বিজ্ঞান শাখা খোলা হয় যদিও তিনি বছৰীয়া স্নাতক শ্ৰেণীৰ পাঠ্যক্ৰমত এতিয়ালৈ বিজ্ঞান শাখা আৰম্ভ নোহোৱাত অঞ্চলৰ ছাত্ৰ-ছাত্ৰী অসুবিধাৰ সন্মুখীন হৈছে। স্নাতকৰ (কলা শাখা) সীমিত বিষয়ত 'মেজৰ'ৰ ব্যৱস্থা ৰখাত ইচ্ছুক বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বঞ্চিত হব লগাত

পৰিছে। মহাবিদ্যালয়ৰ পুথিভঁড়ালত পঢ়া কোঠাৰ অভাৱত ছাত্র-ছাত্রী সকল পুথিভঁড়ালৰ উপযুক্ত ব্যৱহাৰৰ পৰা বিৰত থাকিব লগা হৈছে। প্রেক্ষাগৃহৰ অভাৱে মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীৰ কলা-সংস্কৃতিৰ বিকাশত অন্তৰায় হৈ পৰিছে। এই প্রতিবেদনৰ জৰিয়তে অধ্যক্ষ ডাঙৰীয়ালৈ এই অভাৱ সমূহ পূৰণ কৰিবলৈ অনুৰোধ কৰিলোঁ।


'ছাত্র একতা সভা' শিক্ষানুষ্ঠানৰ ছাত্র-ছাত্রীৰ সুপ্ত প্রতিভা বিকাশৰ বাহক হিচাবে কাম কৰি আহিছে। সেয়ে একতা সভাই কার্য্যভাৰ গ্রহণ কৰাৰ পিছতে সাতদিনীয়া কার্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰাৰ ব্যৱস্থা গ্রহণ কৰে।

খেল, সংস্কৃতি, সুকুমাৰ কলা আদি শিতানত প্রতিযোগিতাৰ জৰিয়তে প্রতিভা বিকাশৰ পথ সুচল কৰি দিয়া হয়। কিন্তু পৰিতাপৰ বিষয় যে কম সংখ্যক ছাত্র-ছাত্রীয়েহে প্রতিযোগিতা সমূহত যোগদান কৰে। আশা ৰাখিছোঁ যেন আহিবলগীয়া দিনবোৰত ছাত্র-ছাত্রী সকলে বিভিন্ন প্রতিযোগিতাত অংশ গ্রহণ কৰি মহাবিদ্যালয় সপ্তাহৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণ কৰাৰ উপৰিও সুপ্ত প্রতিভা বিকাশ সাধন কৰে। নবাগত আদৰণি সভাখন অতি গাম্ভীর্য-পূর্ণ ভাৱে অনুষ্ঠিত কৰা হয়। গ্রাম্যাঞ্চলৰ শিক্ষানুষ্ঠানৰ ছাত্র-ছাত্রীক উৎসাহ যোগোৱাৰ উদ্দেশ্যে গুৱাহাটী তেলশোধানাগাৰ কর্তৃপক্ষই এখন গাম্ভীর্যপূর্ণ সভাত খেল-ধেমালিৰ সামগ্রী আৰু পুথিভঁড়াললৈ পুথি প্রদান কৰে। এই সুযোগতে শোধানাগাৰ কর্তৃপক্ষলৈ আমাৰ শলাগ আগবঢ়াইছোঁ।

মোৰ কার্য্যকাল ছোৱাত বিভিন্ন কার্য্যসূচীত দিহা-পৰামর্শ দিয়া শ্রদ্ধাৰ অধ্যক্ষ তথা ছাত্র একতা সভাৰ কার্য্যকৰী সমিতিৰ সভাপতি যতীন্দ্র নাথদেৱ আৰু উপ-সভাপতি তথা অর্থ-নীতি বিভাগৰ মুৰব্বী অধ্যাপক শৰৎ চন্দ্র তালুকদাৰদেৱৰ লগতে আন আন ভাৱপ্রাপ্ত অধ্যাপক-অধ্যাপিকালৈ মোৰ শ্রদ্ধভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে যি সকল বন্ধু-বান্ধৱীয়ে বিভিন্ন দিশত মোক দিহা-পৰামর্শ দি সহায় কৰি আহিছে তেখেত সকললৈ মোৰ হিয়া ভৰা মৰম/শ্রদ্ধা যাচিলোঁ।

সদৌ শেষত মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্রতিবেদনৰ মোখনি মাৰিলোঁ।

'জয় আই অসম'
জয়তু 'জৱাহৰ জ্যোতি'
শ্রীমনোমোহন কলিতা
সাধাৰণ সম্পাদক,
জৱাহৰলাল নেহৰু মহাবিদ্যালয়
ছাত্র একতা সভা।



# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আদিতে আই অসমীৰ অস্তিত্ব ৰক্ষাৰ হেতু দেহ উছৰ্গা কৰা ছহীদ সকলক প্ৰণাম জনাইছো ।

দ্বিতীয়তে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ১৯৮৭-৮৮ ইং চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেল বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচন কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ ।

যোৱা ৮।২।৮৮ ইং তাৰিখৰ পৰা সাতদিনীয়া কাৰ্য্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয় । ইয়াত বিভিন্ন খেল প্ৰতিযোগিতা পতা হয় । কিন্তু দুখৰ বিষয় যে—কিছুমান প্ৰতি-যোগিতাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিচেই সেৰেঙা আছিল । সেয়ে মই অনুৰোধ কৰোঁ যাতে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৰ্দ্ধন কৰাৰ লগতে নিজৰ প্ৰতিভা বিকাশ কৰে ।

যিসকল প্ৰতিযোগীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে তেওঁলোকৰ বেছিভাগে উচ্চ পৰ্যায়ৰ খেল প্ৰদৰ্শন কৰিব পৰা নাই বুলি আমাৰ বিশ্বাস । গতিকে ভৱিষ্যতে যাতে খেলুৱৈ সকলে উৎকৃষ্ট খেল প্ৰদৰ্শন কৰি ৰাইজক আমোদ দিব পাৰে তাৰ বাবে আমি আশাৰে বাট চাই ৰলোঁ ।

এইবেলি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলে দুধনৈত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত যোগদান কৰিছিল । এই খেলত বিশেষ কৃতিত্ব অৰ্জন কৰিব নোৱাৰিলে যদিও প্ৰথম আৰু দ্বিতীয় খেলত জয়ী হয় । আহি থকা দিনবোৰত যাতে ইয়াতকৈ বেছি গৌৰৱ অৰ্জন কৰিব পাৰে তালৈ ছাত্ৰ-ছাত্ৰীসকলে লক্ষ্য ৰখা উচিত ।

এজন প্ৰকৃত খেলুৱৈ হিচাবে গঢ়ি উঠিবলৈ যিকোনো ব্যক্তিক যথেষ্ট কষ্ট, সুবিধা আৰু

খেলৰ বাতাবৰণ নিতান্তই প্ৰয়োজন। কিন্তু আৱশ্যক অনুযায়ী আমাৰ মহাবিদ্যালয়ত খেলৰ সামগ্ৰী তথা সুবিধা নাই। সেয়েহে এই চেগতে কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যাতে ভৱিষ্যতে খেলৰ সামগ্ৰী কিছু বৰ্দ্ধিত কৰি ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰে।

মোৰ কাৰ্যকালৰ সময়ত বিভিন্ন দিশত দিহা পৰামৰ্শ দিয়াৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় দ্বিজেন দাসদেৱৰ লগতে আন আন অধ্যাপক/অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ হিয়াভৰা শ্ৰদ্ধা আৰু মৰম যাচিছোঁ। সদৌ শেষত মোৰ কাৰ্যকালৰ জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি, মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ মোখনি মাৰিছোঁ।

'জয়তু অসমী'
'জয়তু 'জৱাহৰ জ্যোতি'
ধন্যবাদেৰে—
শ্ৰীগোপীনাথ চৌধুৰী
সম্পাদক, খেল বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা।